**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-10-2024
**Time :** 12-05 Hrs.

***Assamese Bulletin***
**-----------------------------**

আজি আৰক্ষী স্মৃতি দিৱস। এই উপলক্ষে গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় পুলিচ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দেশৰ আৰক্ষী জোৱানসকলৰ বলিদানক স্মৰণ কৰি শ্ৰী শ্বাহে কয় যে, যোৱা দশকত আমাৰ বীৰ জোৱানসকলৰ প্ৰচেষ্টাত জম্মু-কাশ্মীৰ, উত্তৰ-পূব আৰু বাওপন্থী উগ্ৰবাদৰ দ্বাৰা প্ৰভাৱিত হোৱা অঞ্চলসমূহত শান্তি বিৰাজ কৰিছে। তেওঁ কয় যে, যোৱা এটা বছৰত ২১৬ গৰাকী আৰক্ষী জোৱানে দেশৰ বাবে বলিদান দিছে। আৰক্ষী স্মৃতি দিৱস উপলক্ষে গৃহমন্ত্ৰীগৰাকীয়ে এইদৰে কয়–

*(বাইট)*

ooooooo

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। শাসকীয় বিজেপিয়ে কালি ৩টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিজেপিয়ে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে কংগ্ৰেছ দলে ধলাই সমষ্টিৰ বাবে ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ছিদলী সমষ্টিত সঞ্জীৱ ওৱাৰী, বঙাইগাঁৱত ব্ৰজেনজিৎ সিনহা আৰু চামগুৰি সমষ্টিৰ বাবে তানজিল হুছেইনৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

বঙাইগাঁও বিধানসভা সমষ্টিত কংগ্ৰেছ দলে ব্ৰজেনজিৎ সিনহাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে বিজেপি মিত্ৰজোঁটৰ অগপ দলে প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰা নাই।

৩১ নম্বৰ ছিদলী বিধানসভা সমষ্টিৰ বাবেও নিৰ্বাচনী তৎপৰতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। সমষ্টিটোৰ বাবে কংগ্ৰেছ দলে ইতিমধ্যে প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে শাসকীয় মিত্ৰজোঁটে বৰ্তমানলৈ প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰা নাই।

উল্লেখযোগ্য যে উপ-নিৰ্বাচন হ'বলগীয়া ৰাজ্যৰ সমষ্টিকেইটাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা দহ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ, ভাষিক বা ধৰ্মীয় গোটক আঘাত হানিব পৰা বিষয় লৈ

যুগুত কৰা বেনাৰ-পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান সংগ্ৰহৰ লগতে আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, চৰকাৰী বিষয়া-কৰ্মচাৰী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

0000000

সদৌ অসম বাথৌ মহাসভাই ৰাজ্যৰ অন্যতম জনগোষ্ঠী বড়োসকলৰ পৰম্পৰাগত নৃত্য বাগৰুম্বাৰ জড়িয়তে গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডত অন্তৰ্ভুক্ত হ'বলৈ প্ৰচেষ্টা হাতত লৈছে। মুঠ ৪০ হাজাৰ নাচনীয়ে গীনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডত অন্তৰ্ভুক্ত হ'বলৈ একেলগে নৃত্য প্ৰদৰ্শন কৰিব। ইয়াৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত ইতিমধ্যে আখৰা চলি আছে। মৰিগাঁও জিলাৰ জাগীৰোডৰ সমীপৰ ডোঙাবড়ীত কালিৰে পৰা প্ৰায় ৫০০ৰো অধিক যুৱতীক বাগৰুম্বা নৃত্যৰ প্ৰশিক্ষণ দিয়া হৈছে। চূড়ান্ত প্ৰদৰ্শনৰ দিন এতিয়া ঠিৰাং হোৱা নাই বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোড়শ ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা অৰ্থাৎ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ৰাছিয়ালৈ যাব। এই সন্মিলনৰ সময়তে তেওঁ সদস্য ৰাষ্ট্ৰৰ নেতা তথা অন্যান্য আমন্ত্ৰিত ব্যক্তিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ব্ৰিকছ্ৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ৯ লৈ বৃদ্ধি পোৱাৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে এই সন্মিলন অনুষ্ঠিত হৈছে।  এইবাৰৰ এই সন্মিলনৰ বিষয় হৈছে- **গোলকীয় বিকাশ আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতা শক্তিশালী কৰা**।

0000000

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

0000000

সমাপ্ত